# ফিশ্বিং আক্ৰমণ সম্বন্ধে গ্ৰাহকলৈ ৰিজাৰ্ভ বেঙ্কৰ গুৰুত্বপূৰ্ণ জাননী

- ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ পৰা পঠিওৱা বুলি দাবী জনোৱা ফিশ্বিং ই-মেইলৰ প্ৰতি সঁহাৰি নিদিব ।

- ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ এই কথা দৃষ্টি গোচৰ হৈছে যে ‘‘বেঙ্কৰ গ্ৰাহকলৈ তেওঁলোকৰ বেঙ্ক একাউন্টৰ বিৱৰণ আপডেট কৰাৰ আমন্ত্ৰণ জনাই’’ ইয়াৰ নামত ই-মেইল পঠিওৱা হৈছে ।

- ৰিজাৰ্ভ বেঙ্কে ইয়াৰ দ্বাৰাই স্পষ্টকৈ জনাইছে যে এনে কোনো ই-মেইল ই পঠিওৱা **নাই** । কোনো উদ্দেশ্যেই ৰিজাৰ্ভ বেঙ্কে বা বেঙ্ক সমূহে বেঙ্ক একাউন্টৰ বিৱৰণ বিচাৰি কেতিয়াও কোনো যোগাযোগ নকৰে । **এনে ই-মেইলৰ প্ৰতি সঁহাৰি নজনাবলৈ আৰু নিজৰ বেঙ্ক একাউন্টৰ সবিশেষ কথা আন কোনো লোকক কেতিয়াও নজনাবলৈ ৰিজাৰ্ভ বেঙ্কে সৰ্বসাধাৰণ ৰাইজলৈ গোহাৰি জনাইছে ।**

- প্ৰবঞ্চকৰ দলে সৰ্বসাধাৰণ লোকলৈ চিঠি-পত্ৰ, ই-মেইল, ম’বাইল ফোন, এচএমএচ ইত্যাদিৰ জৰিয়তে বিভিন্ন আকৰ্ষণীয় অফাৰো পঠিয়ায় । এই অফাৰসমূহ বিশ্বাসযোগ্য কৰি তুলিবলৈ, এনেদৰে যোগাযোগ প্ৰায়ে কৰা হয় এনে লেটাৰহেড/ৱেবচাইটৰ দ্বাৰা, যাক আপাতদৃষ্টিত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ দৰে কোনো চৰকাৰী কৰ্তৃপক্ষৰ তৰফৰ পৰা অহা যেন লাগে । এনে কৰ্তৃপক্ষৰ শীৰ্ষ কাৰ্যপালিকা/জ্যেষ্ঠ বিষয়াই অফাৰসমূহত চহী কৰি দিয়া যেন দেখুওৱা হয়, কিন্তু কেৱল পদাধিকাৰীৰ নামহে এই ক্ষেত্ৰত সঠিক হ’ব পাৰে, চহীবিলাক পিছে ভুৱা । ৰিজাৰ্ভ বেঙ্কৰ/চৰকাৰী কৰ্তৃপক্ষৰ কোনো বিভাগত কৰ্মৰত তথাকথিত আৰবিআই বিষয়াৰ যোগাযোগৰ বিৱৰণো অফাৰ ডকুমেন্টত উল্লেখ কৰা থাকে । **বিদেশৰ পৰা ধনৰ এনে অফাৰৰ প্ৰতি কোনো ধৰণেৰেই সঁহাৰি নজনাবলৈ ৰিজাৰ্ভ বেঙ্কে জনসাধাৰণক সৰ্তক কৰি দিছে ।**

- **তদুপৰি জনসাধাৰণক কোনো অজ্ঞাত পক্ষৰ পৰা অহা এনে ধৰণৰ আঁচনি/অফাৰত অংশগ্ৰহণৰ বাবে কোনো ধন প্ৰেৰণ নকৰিবলৈও সতৰ্ক কৰি দিয়া হ’ল,** যিহেতু এনে ধৰণৰ ধন প্ৰেৰণ হ’ল বে-আইনী তথা যিকোনো ভাৰতীয় নিবাসীয়ে এনে ধন ভাৰতৰ বাহিৰলৈ প্ৰত্যক্ষ/পৰোক্ষভাবে প্ৰেৰণ কৰিলে/তাত আদায় দিলে, তেওঁৰ বিৰুদ্ধে ফৰেন এক্সচেঞ্জ মেনেজমেন্ট এক্ট 1999 লঙ্ঘনৰ কাৰণে আইনগত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে তেওঁ নিজে দায়ী হ’ব । এনে অফাৰ হ’ল প্ৰবঞ্চনামূলক আৰু এনে অফাৰ প্ৰাপ্ত কৰাৰ ক্ষেত্ৰত বা এনে কোনো প্ৰবঞ্চনাৰ ভুক্তভোগী হলে জনসাধাৰণে অবিলম্বে স্থানীয় পুলিচ/চাইবাৰ-অপৰাধ সম্বন্ধীয় কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দাখিল কৰা উচিত ।

- **ৰিজাৰ্ভ বেঙ্কে টকা-পইচা সংক্ৰান্ত কোনো ধৰণৰ বন্দৱস্তৰ সৈতে, লাগিলে যি নামেৰেই নহওক, জড়িত নেথাকে তথা এনে ভুৱা অফাৰলৈ সঁহাৰিস্বৰূপে পঠিওৱা ধন উদ্ধাৰ কৰাৰ বাবে কোনো দায়িত্ব গ্ৰহণ নকৰে ।**



এইচডিএফচি বেঙ্ক
আমি বুজি পাওঁ আপোনাৰ সংসাৰ